**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগণনা আজি পুৱা ৮ বজাত আৰম্ভ হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৱেভছ্ আন্তঃৰাষ্ট্ৰীয় শীৰ্ষ সন্মিলনৰ উপদেষ্টা পৰিষদৰ এখন বৈঠকত মিলিত হয়।

৩। কেন্দ্ৰীয় চৰকাৰে ২০২২-২৩ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ ৮ হাজাৰ ৮০০ কোটি টকাৰ দক্ষ ভাৰত কাৰ্যসূচীত অনুমোদন জনাইছে।

৪। শ্ৰীলংকাৰ কলম্বোত ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি নিৰ্মাণ বিষয়বস্তুৰে দুদিনীয়াকৈ BIMSTEC ডিজিটেল সন্মিলন অনুষ্ঠিত হৈছে। **আৰু**

৫। এল এণ্ড টি মুম্বাই অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত মায়া ৰাজেশ্বৰণে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগণনা আজি পুৱা ৮ বজাত আৰম্ভ হ'ব। প্ৰথমে প'ষ্টেল বেলটসমূহ গণনা কৰা হ'ব। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়া আৰ এলিছ্ ৰাজে প্ৰকাশ কৰা অনুসৰি ভোটগণনাৰ বাবে দিল্লীৰ ১১ খন জিলাত ১৯টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ বাবে প্ৰায় ৫ হাজাৰ বিষয়া কৰ্মচাৰী নিয়োগ কৰা হৈছে। নিৰ্বাচন আয়োগে www.eci.gov.in ৱেব ছাইটৰ জৰিয়তে সঠিক আৰু সবিশেষভাৱে ভোটগণনাৰ ফলাফল প্ৰকাশ কৰাৰ বাবে অতি সুৰক্ষিত আৰু প্ৰমাণিত ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ৰাজধানীখনত ক্ষমতালৈ আহিবলৈ হ'লে যিকোনো এটা দলে ৩৬ খন আসনত জয়লাভ কৰিব লাগিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি **ৱেভছ** আন্তঃৰাষ্ট্ৰীয় শীৰ্ষ সন্মিলনৰ উপদেষ্টা পৰিষদৰ এখন বৈঠকত মিলিত হয়। এই শীৰ্ষ সন্মিলনে বিশ্বৰ মনোৰঞ্জন, সৃষ্টিশীলতা আৰু সাংস্কৃতিক জগতক একত্ৰিত কৰিছে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে বলীউডৰ জ্যেষ্ঠ অভিনেতা অমিতাভ বচ্চন, ৰজনীকান্ত, শ্বাহৰুখ খান, অনুপম খেৰ, চিৰঞ্জীৱি, অনিল কাপুৰ, অক্ষয় কুমাৰ, ৰণবীৰ কাপুৰ আৰু দিলজিত দৌচাঞ্জকে ধৰি ভাৰত তথা বিশ্বৰ মনোৰঞ্জন উদ্যোগৰ আগশাৰীৰ ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে সংগীত পৰিচালক এ আৰ ৰহমান, ৰিলায়েন্সৰ অধ্যক্ষ মুকেশ আম্বানী, মাইক্ৰ'ছফ্টৰ মুখ্য কাৰ্যবাহী বিষয়া সত্য নাডেলা, মহিন্দ্ৰা আৰু মহিন্দ্ৰাৰ অধ্যক্ষ আনন্দ মহিন্দ্ৰাৰ উপৰি ভালেমান বিশিষ্ট উদ্যোগপতিৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰীমোদীয়ে কয়, যে উপদেষ্টা পৰিষদৰ সদস্যসকল বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা একোজন বিশিষ্ট ব্যক্তি। এই

ব্যক্তিসকলে ভাৰতক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মনোৰঞ্জন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে বিভিন্নধৰণৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনি-দিনীয়া ভ্ৰমণসূচীৰে পৰহিলৈ ফ্ৰান্সলৈ ৰাওনা হ'ব। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে পেৰিচত হ'বলগীয়া কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ সৈতে সহ-অধ্যক্ষতা কৰিব। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে শ্ৰীমোদীয়ে অহা ১২ আৰু ১৩ ফেব্ৰুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ কথা।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২২-২৩ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ ৮ হাজাৰ ৮০০ কোটি টকাৰ দক্ষ ভাৰত কাৰ্যসূচীত অনুমোদন জনাইছে। নতুন দিল্লীত কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে চৰকাৰে প্ৰয়োজন অনুসৰি দক্ষতাৰ বিকাশত গুৰুত্ব আৰোপ কৰিছে। শ্ৰীবৈষ্ণৱে লগতে চৰকাৰে চাফাই কৰ্মচাৰীৰ ৰাষ্ট্ৰীয় আয়োগৰ সময়সীমা ২০২৮ চনৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰাৰ কথা প্ৰকাশ কৰে।

০০০০০

ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহাই কালি আগৰতলাৰ ত্ৰিপুৰা প্ৰযুক্তি প্ৰতিষ্ঠানত **স্কীল উদয় টোংগাই** শীৰ্ষক দক্ষতা বিকাশৰ এটা প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে। কাৰ্যসূচী মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ৰ প্ৰায় ৮০ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সৱলীকৰণৰ উদ্দেশ্যে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীসাহাই কয়, যে তেওঁ ৰাজ্যখনৰ ৯৮৩ খন বিদ্যালয়ৰ ৭০ হাজাৰ ছাত্ৰীৰ বাবে কেৰিয়াৰ পৰামৰ্শ বিষয়ক ৰাজ্যিক এম আই এছ প'ৰ্টেল আৰু মহাবিদ্যালয়ৰ ৭ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এন এছ ডি চি কাৰ্যসূচীকে ধৰি অন্যান্য ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুৱে কালি দেশৰ বিমানৰ বিভিন্ন সা-সঁজুলি নিৰ্মাণ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ বাবে এখন উচ্চস্তৰীয় বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত অসামৰিক বিমান পৰিবহণ সচিব ভি ভুৱালনাম আৰু বিভিন্ন উদ্যোগিক প্ৰতিষ্ঠান, গৱেষণা প্ৰতিষ্ঠান আৰু চৰকাৰী বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। বিমানখণ্ডত ঘৰুৱা উৎপাদন শক্তিশালী কৰা আৰু বিমানৰ সা-সঁজুলি নিৰ্মাণ খণ্ডত বিশ্বৰ সৈতে ভাৰতৰ প্ৰতিযোগিতা উন্নত কৰা সন্দৰ্ভত এই বৈঠকত বিতংভাৱে আলোচনা কৰা হয়।

শ্ৰীনাইডুৱে কয়, যে বিশ্বৰ অসামৰিক বিমান পৰিবহণ ক্ষেত্ৰখনত ভাৰত ইতিমধ্যে সন্মানজনক স্থিতিত আছে যদিও এই ক্ষেত্ৰত নেতৃত্ব দিয়াটোৱে হৈছে ভাৰতৰ লক্ষ্য। মন্ত্ৰীগৰাকীয়ে পৰিৱেশতন্ত্ৰৰ সৈতে খাপ খোৱাকৈ দক্ষতা বিকাশ, আৰ্হি, নিৰ্মাণ, প্ৰমাণিকৰণ আৰু জ্ঞানৰ আদান-প্ৰদানৰ প্ৰয়োজন সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰালয়ে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত এটা পেভেলিয়ন স্থাপন কৰিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে এই পেভেলিয়নটোত চৰকাৰী বিভিন্ন আঁচনি আৰু সকলো ধৰণৰ অত্যাধুনিক সা-সুবিধা সজ্জিত এখন আদৰ্শ গাঁৱৰ আৰ্হি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। মন্ত্ৰালয়ৰ দ্বাৰা প্ৰদৰ্শিত এই আদৰ্শ গাঁৱৰ পেভেলিয়নত বিদ্যালয়, পঞ্চায়ত ঘৰ, অংগনৱাড়ী, স্থায়ী বাসগৃহ আৰু মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত নিয়োগৰ সুবিধা আদি বিষয়ত আলোকপাত কৰা হৈছে। পেভেলিয়নৰ দায়িত্বত থকা বিষয়া ৰিয়া সিঙে আকাশবাণীৰ সংবাদদাতাৰ আগত কয়, যে এই প্ৰদশনীত গ্ৰামাঞ্চলত ৰূপায়ণ হৈ থকা চৰকাৰী সকলোবোৰ আঁচনি প্ৰদৰ্শনৰ দিহা কৰা হৈছে।

ooooo

শ্ৰীলংকাৰ কলম্বোত ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি নিৰ্মাণ বিষয়বস্তুৰে দুদিনীয়াকৈ BIMSTEC ডিজিটেল সন্মিলন অনুষ্ঠিত হৈছে। শ্ৰীলংকাত থকা ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝা, BIMSTEC-ৰ সাধাৰণ সচিব ইন্দ্ৰ মনি পাণ্ডে, দেশখনৰ উপ-মন্ত্ৰী এৰাংগা বুইৰা ৰন্নে আৰু চাতুৰাংগা আবেছিংঘেৰ উপস্থিতিত এই সন্মিলন উদ্বোধন কৰা হয়। সন্মিলনত ডিজিটেল অৰ্থনীতি খণ্ডৰ নেতা আৰু বিশেষজ্ঞসকলক লৈ আলোচনা অনুষ্ঠিত হয়। অনুষ্ঠানত ভাষণ দি ভাৰতৰ উচ্চায়ুক্ত শ্ৰীঝায়ে বিগত দশকত জন-ধন-আধাৰ-মোবাইল অৰ্থাৎ জেম ত্ৰিনীটি ব্যৱস্থাৰ জৰিয়তে  ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতৰ যাত্ৰাৰ বিষয়ত আলোকপাত কৰে। অনুষ্ঠানত শ্ৰীলংকাৰ উদ্যোগ আৰু উদ্যমিতা বিকাশ বিভাগৰ উপ-মন্ত্ৰী চাতুৰাংগাই BIMSTEC-ৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত জ্ঞান আৰু প্ৰযুক্তিৰ আদান-প্ৰদানত এই সংস্থাই গ্ৰহণ কৰা ভূমিকাৰ কথা উল্লেখ কৰে।

ooooo

বৈধ নথি অবিহনে দেশত বাস কৰি থকা ৪ গৰাকী মহিলাসহ ৭ জন বাংলাদেশী নাগৰিকক মুম্বাইৰ পৰা আটক কৰা হয়। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে এই লোককেইজনে বিগত প্ৰায় ৫ বছৰ ধৰি চেম্বুৰৰ মেহুলত বাস কৰি আছিল। আৰক্ষীৰ জেৰাত লোককেইজনে নিজকে বাংলাদেশৰ নাগৰিক বুলি চিনাকী দিয়াৰ লগতে ২০২০ চনৰ মাৰ্চৰ পৰা তেওঁলোকে কোনোধৰণৰ বৈধ নথিপত্ৰ অবিহনে ভাৰতত বাস কৰি থকাৰ কথা স্বীকাৰ কৰিছে।

ooooo

জম্মু-কাশ্মীৰত প্ৰাক-বাজেট পৰামৰ্শ বৈঠকৰ কালি তৃতীয় দিনা মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই বিভিন্ন খণ্ড আৰু জিলাসমূহৰ উন্নয়নমূলক বিষয়ত জনসাধাৰণৰ প্ৰতিনিধি আৰু মুখ্য অংশীদাৰসকলৰ সৈতে বিস্তৃতিভাৱে আলোচনা কৰে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি পুলৱামা আৰু ৰিয়াচি জিলাৰ বিধায়কসকলে বিদ্যুৎ যোগান, খোৱাপানীৰ আঁচনি, বান্ধ ব্যৱস্থাপনা, দলং নিৰ্মাণ আদি বিভিন্ন বিষয়ত আলোচনা কৰে।

ooooo

এল এণ্ড টি মুম্বাই অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত মায়া ৰাজেশ্বৰণে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ১৫ বছৰীয়া খেলুৱৈগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত জাপানৰ মেই য়ামাগুচিক ৬-৪,

৩-৬, ৬-২ ছেটত পৰাজিত কৰে। প্ৰতিযোগিতাৰ ছিংগলছত এতিয়ালৈকে বৰ্তি থকা মায়াই হৈছে একমাত্ৰ ভাৰতীয় খেলুৱৈ। আজি হ'বলগীয়া ছেমি ফাইনেলত মায়াই ছুইজাৰলেণ্ডৰ জিল টেকমেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰাৰ্থনা থম্ব্ৰে আৰু এৰিয়েন হাৰ্টোনোৱে ইডেন ছিলভা আৰু এনাষ্টাচিয়া তিখ'নোভাক ২-৬, ৬-৪, ১০-২ ছেটত পৰাজিত কৰি দ্বিতীয়বাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অৰুণাচল প্ৰদেশ আৰু উত্তৰ-পূব অসমৰ কোনো কোনো অংশত অহা ২-৩ দিনত ধুমুহা, গাজনিৰে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি অহা তিনিদিনলৈ দেশৰ উত্তৰ-অংশৰ তাপমাত্ৰা একেদৰেই থাকিব। অহা ৪-৫ দিনত মধ্য ভাৰত আৰু মহাৰাষ্ট্ৰৰ সৰ্বোচ্চ তাপমাত্ৰা ২-৪ ডিগ্ৰী ছেলচিয়াছলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

ooooo

সমাপ্ত